# মুখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী :: অসম

**ন্যায়িক বিষয়া আৰু কৰ্মচাৰীসকলৰ বৈঠক** **তাং- ২৮/০২/২০১৯**

## কাৰ্য্যবিৱৰণী

আজি ইং ২৮/০২/২০১৯ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠক মুখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয় । মুখ্য ন্যায়িক দণ্ডাধীশৰ মন্তব্যৰে আৰম্ভ হোৱা বৈঠকখনিত অন্য ন্যায়িক দণ্ডাধীশসকলৰ লগতে কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে ।

বৈঠকৰ আৰম্ভণিতে মুখ্য ন্যায়িক দণ্ডাধীশ মহোদয়ে কাৰ্য্যালয়ৰ প্ৰয়োজনীয় সামগ্ৰীৰ সুলভতা আৰু নাটনিৰ বিষয়ে বুজ লয় । যিহেতু প্ৰয়োজনীয় চমন আৰু পৰোৱানাসমূহ চৰকাৰী ছপাশালৰ পৰা যোগান ধৰা হোৱা নাই গতিকে কাৰ্য্যালয়ৰ দ্বাৰা স্থানীয় ছপাশালত পূৰ্বতে কৰাৰ দৰে পুনৰ ছপাৰ ব্যৱস্থা কৰি লোৱাৰ পৰামৰ্শ আগবঢ়াই । কাৰ্য্যালয়ত উপলব্ধ ইংৰাজী লিপিৰ সাক্ষীৰ চমনসমূহ ব্যৱহাৰ কৰিবলৈ জনোৱা হয় । লগতে CIS ৰ ক্ষেত্ৰত নতুন update হ'লে Bench Assistant সকলক জনাবলৈ নিৰ্দেশ কৰে ।

প্ৰাচীৰ পত্ৰিকাৰ লিখনি সংগ্ৰহৰ সম্পৰ্কে হোৱা আলোচনাত লিখনিসমূহৰ যোগেদি যাতে পঢ়ুৱৈসকলৰ লাভালাভ হয় তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ জনায় । গতিকে লিখনিসমূহ তথ্যসম্বলিত হোৱাৰ লগতে শেহতীয়া তথ্যৰে পূৰ্ণ হ'ব লাগিব । উদাহৰণ হিচাপে শেহতীয়া চৰকাৰী তথা অন্য জাননী, বিজ্ঞপ্তি তথা অধিসূচনাসমূহ সংগ্ৰহ কৰিবলৈ পৰামৰ্শ আগবঢ়াই ।

কৰ্মচাৰীসকলৰ ছুটীৰ বিষয়ে মন্তব্যত মুখ্য ন্যায়িক দণ্ডাদীশ মহোদয়ে ছুটী সম্পৰ্কীয় নীতি উদ্ধৃতি দি জনায় যে দুটা ছুটী একেলগতে লাভ কৰিব নোৱাৰে । মুখ্য কাৰ্যস্থানৰ পৰা প্ৰস্থানৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা নিয়মৰ লগতে ছুটী সম্পৰ্কীয় নানান নিয়মৰ বিষয়ে অৱগত কৰায় । ইয়াৰ উপৰিও আৰ্জিত ছুটীৰ তথ্য কৰ্মচাৰীৰ চাকৰিৰ খতিয়ানত লিপিবদ্ধ কৰিবলৈ নিৰ্দেশ কৰে ।

GR বিভাগৰ অতিৰিক্ত কামৰ সময়ত PP Assistant ক সহায় কৰিবলৈ নিৰ্দেশ কৰে।

পূৰ্বতে কৰ্মচাৰীসকলৰ বাবে প্ৰস্তুত কৰা পৰিচয় পত্ৰসমূহৰ গুণগত মানৰ ওপৰত আলোচনা কৰা হয়। ইয়াৰ পিছতে কাৰ্য্যালয়ৰ তথা কৰ্মচাৰী সকলৰ নানান সমস্যা আৰু অন্যান্য শিতান উত্থাপন কৰা হয় আৰু জলযোগেৰে বৈঠকখনিৰ সমাপ্তি ঘটে।

**মূখ্য ন্যায়িক দণ্ডাধীশ**
(ৰুপক ৰজক)

1/3/19

**অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ**
(ৰাহুল মেধি)

1/3/19

**১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ**
(মনিকা মিচং)

**১ম শ্ৰেনী ন্যায়িক দণ্ডাধীশ**
(নাজৰানা পাৰবিন ৰেহমান)